Asomiya Protidin 17/7/15

Date
Page No 56

অসমীয়া প্ৰতিদিন ১৭/৭

# এন আৰ চি সেৱা কেন্দ্ৰৰ পৰা কম্পিউটাৰ চুৰি

প্ৰতিদিন সংবাদ, নগাঁও, ১৬ জুলাই ঃ নগাঁও চহৰৰ নিকটৱৰ্তী কাছমাৰীত থকা এন আৰ চি সেৱা কেন্দ্ৰৰ পৰা কালি নিশা চোৰে তিনিটা কম্পিউটাৰ ছেট চুৰ কৰি নিয়া ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত খবৰমতে চোৰে সেৱা কেন্দ্ৰটোৰ দুৱাৰ ভাঙি কম্পিউটাৰ ছেট তিনিটা চুৰি কৰি নিয়ে। আজি পুৱা সেৱা কেন্দ্ৰটোৰ কৰ্মচাৰীসকল ■ ৮ পৃষ্ঠাত

## এন আৰ চি সেৱা

■ তৃতীয় পৃষ্ঠাৰ পৰা কেন্দ্ৰটোত উপস্থিত হোৱাৰ পিচত সমগ্ৰ ঘটনা পোহৰলৈ আহে। লগে লগে সেৱা কেন্দ্ৰটোৰ কৰ্মচাৰীসকলে স্থানীয় হয়বৰগাঁও আৰক্ষী চকীত খবৰ দিয়াত আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে চুৰি হোৱা কম্পিউটাৰ বিচাৰি অভিযান চলাইছে যদিও উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই।

# ধিঙত বন্ধ এন আৰ চিৰ কাম ঃ ৰাইজৰ মাজত হাহাকাৰ

প্ৰতিদিন সেৱা, ধিং, ১৬ জুলাই ঃ নগাঁও জিলাৰ ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত ৩০টা সেৱা কেন্দ্ৰত তেলৰ অভাৱত দুদিন ধৰি এন আৰ চিৰ দৰে এক গুৰুত্বপূৰ্ণ কাম বন্ধ হৈ আছে। প্ৰাপ্ত খবৰমতে আজি পুৱা ৪ মান বজাৰ পৰা প্ৰ-পত্ৰ জমা দিয়াৰ উদ্দেশ্যেৰে অগণন লোকে শাৰী পাতি থিয় হৈছিল যদিও দায়িত্বত থকা বিষয়া-কৰ্মচাৰীয়ে প্ৰ-পত্ৰ জমা লোৱা নহ'ব বুলি কোৱাত জাঙুৰ খাই উঠে শাৰী পাতি থকা ৰাইজ। উল্লেখযোগ্য যে বিদ্যুৎ বিভাগৰ গাফিলতিৰ লগতে অসম চৰকাৰে সময়মতে জেনেৰেটৰ চলাবলৈ প্ৰয়োজনীয় তেল যোগান ধৰিব নোৱৰাৰ ফলতে কাইলৈও এন আৰ চিৰ প্ৰ-পত্ৰ জমা লোৱা নহ'ব বুলি ঘোষণা কৰাত ধিঙৰ সচেতন মহলত উক্ত বিষয়টোক লৈ বিশেষভাৱে চৰ্চা চলিছে। বিশেষকৈ মুছলমান বসতিপ্ৰধান অঞ্চল কাছুলীমাৰী, কদমনি, টুকটুকী, বৈচামাৰী আদি পথাৰ অঞ্চলত আগন্তুক ঈদল ফিতৰ উদ্‌যাপনক লৈ বিপাঙত পৰা দেখা গৈছে। কাৰণ সন্মুখত আহি থকা ধৰ্মীয় উৎসৱক লৈ ব্যস্ত থকাৰ উপৰি সময়মতে এন আৰ চিৰ প্ৰ-পত্ৰ জমা দিব নোৱাৰি গভীৰ উৎকণ্ঠাত ভোগা বুলি একাংশ গঞা লোকে জানিবলৈ দিছে।